# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৫৫/২০২০

**ৰাজ্যখনৰ শক্তি খণ্ডৰ সাম্প্ৰতিক স্থিতি পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে**

## স্বাস্থ্য প্ৰতিষ্ঠানসমূহত অবিৰত বিদ্যুৎ যোগান নিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ০৪ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে শক্তি বিভাগক ৰাজ্যখনৰ স্বাস্থ্য প্ৰতিষ্ঠানসমূহ বিশেষকৈ যিসমূহ স্বাস্থ্য প্ৰতিষ্ঠানত কোৱাৰেনটাইনৰ সা-সুবিধা সৃষ্টি কৰা হৈছে সেই সমূহলৈ অবিৰত বিদ্যুৎ যোগান নিশ্চিত কৰাৰ বাবে পদক্ষেপ ল'বলৈ শক্তি বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ অতিমাৰীৰ সময়ত শক্তি বিভাগে প্ৰদান কৰি থকা সেৱাৰ শলাগ লোৱাৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অৰ্থাৎ ৫ এপ্ৰিলত ৯ মিনিটৰ বাবে গৃহসমূহৰ বিজুলিবাতি বন্ধ কৰাৰ বাবে জনোৱা আহ্বান সন্দৰ্ভত ভাৰত চৰকাৰে প্ৰদান কৰা পৰামৰ্শাৱলী জনসাধাৰণৰ মাজত ব্যাপক ৰূপত প্ৰচাৰ কৰি সজাগতা বৃদ্ধি কৰিবলৈ পদক্ষেপ লোৱাৰ বাবে বিভাগক নিৰ্দেশ দিয়ে।

আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত সাম্প্ৰতিক পৰিস্থিতিত শক্তি বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ দিয়ে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অৰ্থাৎ ৫ এপ্ৰিলৰ নিশা ৯ বজাৰ পৰা ৯ মিনিট সময়ৰ বাবে নিজৰ গৃহৰ বিজুলিবাতিৰ চুইছ বন্ধ কৰি নভেল কৰ'না ভাইৰাছ প্ৰতিহত কৰাৰ দিশত দেশখনৰ সমূহিক দৃঢ়তা প্ৰদৰ্শনৰ বাবে বন্তি, মমবাতি অথবা মোবাইল ফোনৰ ফ্লাছ লাইট অ'ন কৰাৰ বাবে দেশবাসীক আহ্বান জনাইছে।

বৈঠকত শক্তি বিভাগৰ বিষয়াবৰ্গই মুখ্যমন্ত্ৰীক অৱগত কৰে যে কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা পৰামৰ্শৰ ভিত্তিত জনসাধাৰণক কেৱল মাত্ৰ নিজৰ গৃহৰ বিজুলিবাতিৰ চুইছ অ'ফ কৰাৰ বাবে আহ্বান জনোৱা হৈছে। কিন্তু এই সময়ছোৱাত ষ্ট্ৰীট লাইট, তথা বৈদ্যুতিক শক্তিৰ দ্বাৰা চলোৱা কম্পিউটাৰ, টেলিভিচন চেট, ফেন, ৰেফ্ৰিজাৰেটৰ আৰু এয়াৰ কণ্ডিশ্যনাৰৰ লেখীয়া সঁজুলিৰ চুইছ অ'ফ কৰাৰ বাবে আহ্বান জনোৱা হোৱা নাই।

মুখ্যমন্ত্ৰীয়ে লগতে শক্তি বিভাগৰ বিষয়াবৰ্গক জিলাসমূহৰ উপায়ুক্তৰ অধ্যক্ষতাত তাৎক্ষণিকভাৱে এই সম্পৰ্কে ভালদৰে প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে কাইলৈ ৰাতিপুৱাৰ ভিতৰতে বৈঠক অনুষ্ঠিত কৰাৰ বাবেও নিৰ্দেশ দিয়ে যাতে পাৱাৰ গ্ৰীডৰ কোনো বিৰতি নোহোৱাকৈ এই কাৰ্যসূচী ৰূপায়ণ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে লগতে শক্তি বিভাগৰ ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াসকলক স্বাস্থ্য বিভাগৰ বিষয়াৰ সৈতে আলোচনামৰ্মে সকলোবোৰ কোৱাৰেটাইন থকা স্বাস্থ্য প্ৰতিষ্ঠান তথা অন্যান্য স্বাস্থ্য প্ৰতিষ্ঠান পৰিদৰ্শন কৰাৰ বাবে নিৰ্দেশ দিয়ে যাতে এই প্ৰতিষ্ঠানসমূহৰ অবিৰত বিদ্যুৎ যোগানৰ বিষয়টো ক্ষেত্ৰ পৰ্যায়ত পৰ্যালোচনা কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে লগতে এই সময়ত পৰ্যাপ্ত ট্ৰেন্সফৰ্মাৰ আৰু জেনেৰেটৰ মজুত ৰখাৰ বাবেও নিৰ্দেশ দিয়ে। তদুপৰি, স্বাস্থ্য প্ৰতিষ্ঠানসমূহত উপযুক্ত ইলেট্ৰিচিয়ান মজুত ৰখাৰ দিশত উপযুক্ত সজাগতা প্ৰদানৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে যাতে যিকোনো জৰুৰীকালীন পৰিস্থিতি মোকাবিলা কৰিব পৰা যায়।

আজিৰ এই বৈঠকত এপিডিচিএলৰ অধ্যক্ষ বিনোদ কুমাৰ পিপাৰচেনীয়া, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়াৰ লগতে বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ / বঃভাঃ**

**০৪/০৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in